জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৯১/২০২১

# জন্মবাৰ্ষিকীত দীনদয়াল উপাধ্যায়লৈ শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## সাংস্কৃতিক ৰাষ্ট্ৰবাদ ৰাজনৈতিক ৰাষ্ট্ৰবাদতকৈ বহু গুণে শক্তিশালী ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মবাৰ্ষিকী উপলক্ষে ভাৰতীয় জনতা পাৰ্টিৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ দিছপুৰ মণ্ডলৰ ৯১ নং বুথ সমিতিৰ দ্বাৰা আয়োজিত এখন স্মৃতিচাৰণ সভাত অংশ গ্ৰহণ কৰে।

ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ হেঙেৰাবাৰীস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এই স্মৃতিচাৰণ সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় জনসংঘ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু ভাৰতীয় জনতা পাৰ্টিৰ যি বৌদ্ধিক চিন্তা সেই বৌদ্ধিক চিন্তালৈ যিগৰাকী দাৰ্শনিকে আটাইতকৈ বেছি বৰঙনি আগবঢ়াইছে সেইগৰাকী ব্যক্তি হৈছে পণ্ডিত দীনদয়াল উপাধ্যায়। ১৯৫১ চনত ড° শ্যামা প্ৰসাদ মুখাৰ্জীয়ে যেতিয়া ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাৰ কথা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৈতে আলোচনা কৰিছিল তেতিয়া সংঘই যিসকল কৰ্মকৰ্তাক ভাৰতীয় জনসংঘলৈ প্ৰেৰণ কৰিছিল সেইসকলৰ ভিতৰত পণ্ডিত দীনদয়াল উপাধ্যায় আছিল অন্যতম। তেওঁৰ নেতৃত্বতে ভাৰতীয় জনসংঘই লোকসভা নিৰ্বাচনত ৩৫ খনলৈ আসন লাভ কৰিবলৈ সক্ষম হৈছিল আৰু এটা সময়ত উপাধ্যায়ে কংগ্ৰেছৰ বিৰুদ্ধে এক শক্তিশালী মঞ্চ তৈয়াৰ কৰাত সফল হৈছিল। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই দীনদয়াল উপাধ্যায়ৰ সাংস্কৃতিক ৰাষ্ট্ৰবাদ দৰ্শনৰ কথা উল্লেখ কৰি কয় যে পণ্ডিত উপাধ্যায়ে ঔপনিৱেশিক চিন্তাৰ পৰা ফালৰি কাটি আহি এক নতুন চিন্তাধাৰা মানুহৰ আগত দাঙি ধৰিছিল। তেওঁ কয় যে দেশৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ মাজত থকা নানা বিবিধতাৰ মাজতো একতা আৰু ঐক্য বিৰাজমান। এই বিবিধতাৰ মাজতো সকলোকে এক কৰি ৰাখিছে সংস্কৃতিয়ে। এই ধাৰণাৰ আধাৰতেই পণ্ডিত উপাধ্যায়ে সাংস্কৃতিক ৰাষ্ট্ৰবাদ গঢ় দিয়াৰ প্ৰয়াস কৰিছিল। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ৰাষ্ট্ৰৰ ধাৰণা সংস্কৃতিৰ ওপৰত আধাৰিত হ'লে সেই ৰাষ্ট্ৰ অধিক শক্তিশালী হয় আৰু সাংস্কৃতিক ৰাষ্ট্ৰবাদ ৰাজনৈতিক ৰাষ্ট্ৰবাদতকৈ বহু গুণে শক্তিশালী। পণ্ডিত উপাধ্যায়ৰ একাত্ম মানৱতাবাদ আৰু অন্ত্যোদয় দৰ্শনৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে ৰাষ্ট্ৰৰ অৰ্থনৈতিক চিন্তাধাৰাৰ মূল ভেটিটো অন্ত্যোদয় হ'ব লাগিব বুলি দীনদয়াল উপাধ্যায়ে গভীৰভাৱে বিশ্বাস কৰিছিল। সমাজৰ শেষৰ জন ব্যক্তিৰ জীৱনলৈও যাতে পৰিৱৰ্তন আনিব পৰা যায় আৰু তেওঁৰ মুখতো হাঁহি বিৰিঙাব পৰা যায় সেই কথাৰ ওপৰত উপাধ্যায়ে গুৰুত্ব আৰোপ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা আঁচনি সমূহতো দীনদয়াল উপাধ্যায়ৰ সেই নীতি আৰু আদৰ্শৰাজি প্ৰতিফলিত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰি কয় যে অসম চৰকাৰেও অৰুণোদয় আঁচনিৰ দৰে সমাজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোক উপকৃত হ'ব পৰাকৈ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। পণ্ডিত দীনদয়াল উপাধ্যায়ৰ এই নীতি আৰু আদৰ্শৰাজিৰে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আগুৱাই যাব লাগিব বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পণ্ডিত উপাধ্যায়ৰ এই দৰ্শন সম্বন্ধে শেহতীয়াভাৱে যথেষ্ট গৱেষণা হৈছে আৰু ইয়াৰ মাজেৰে ৰাষ্ট্ৰৰ ধাৰণা আৰু ৰাষ্ট্ৰৰ দায়িত্ব তথা কৰ্তব্যৰ বিষয়ে দেশৰ জনসাধাৰণে নতুনকৈ জানিব পাৰিছে।

স্মৃতিচাৰণ সভাৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী ড° শৰ্মাই পণ্ডিত দীনদয়াল উপাধ্যায়ৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰি তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই সভাতে বিশিষ্ট চিত্ৰশিল্পী চন্দন চুতীয়াই নিজে অংকন কৰা পণ্ডিত উপাধ্যায়ৰ এখন প্ৰতিচ্ছৱিও মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰে।

সাংসদ তথা বিজেপি, অসমৰ প্ৰদেশৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে আঁতধৰা আৰু ৯১ নং বুথ সমিতিৰ সভানেত্ৰী বীণা দেৱীয়ে পৌৰহিত্য কৰা এই স্মৃতিচাৰণ সভাত সাংসদ তথা বিজেপি, অসম প্ৰদেশৰ উপ-সভাপতি তপন কুমাৰ গগৈ, সাধাৰণ সম্পাদকদ্বয় দিপ্লু ৰঞ্জন শৰ্মা, পুলক গোঁহাই, গুৱাহাটী পৌৰ নিগমৰ প্ৰাক্তন মেয়ৰ মৃগেন শৰণীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২৫-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in